নিৰ্ভীক, নিৰপেক্ষ
# অসমীয়া খবৰ
গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২
৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২০৫ শনিবাৰ ২৬ জেঠ ১৯৪৫ শক ১০ জুন ২০২৩ চন ASOMIYA KHABAR JORHAT SATURDAY 10 J

## ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ আশ্বাস

# কানৈ মহাবিদ্যালয়ত আকস্মিকভাৱে উপস্থিত ৰাজ্যপাল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ জুন ঃ** শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জে পি বাৰ্মাই কানৈ মহাবিদ্যালয়ক অসমৰ এখন স্বচ্ছ মহাবিদ্যালয় হিচাপে পৰিচয় দিয়াৰ পাছতেই অসমৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াই 'মই কানৈ মহাবিদ্যালয়লৈ যাম, মই কানৈ মহাবিদ্যালয় আজিয়েই পৰিদৰ্শন কৰিম'—এই বুলি ডিব্ৰুগড় বিমান ঘাটিৰ সভাকক্ষত অনুষ্ঠিত এক সভাত উপস্থিত থকা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক অৱগত কৰাৰ প্ৰায় এক ঘণ্টাৰ ভিতৰত ৰাজ্যপালগৰাকী আহি আজি হঠাৎ কানৈ মহাবিদ্যালয়ত উপস্থিত হয়। পূৰ্ব প্ৰস্তুতিৰ অবিহনে অতি কম সময়ৰ ভিতৰত মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে অধ্যক্ষৰ সভাকক্ষলৈ আদৰণি জনাই অনাৰ পাছত ৰাজ্যপালগৰাকীক অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্ধনা-পত্ৰৰে আদৰণি জনায়। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰা অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে কয় —কানৈ মহাবিদ্যালয়ে আজি যি সন্মান দিলে সেয়া তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। সেই স্মৃতি তেওঁৰ মনৰ মণিকোঠাত চিৰদিন সজীৱ হৈ থাকিব। লগতে ৰাজ্যপালগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰি কয়—মহাবিদ্যালয় পৰিয়ালে আজি মোক অতি কম সময়ৰ ভিতৰতে যিদৰে সন্মান আৰু শ্ৰদ্ধা দিলে তাৰ বিনিময়ত মই মহাবিদ্যালয়খনকো কিছু দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'লোঁ আৰু সেই কথা মই মনত ৰাখিম। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ মাজত হোৱা বুজাবুজিৰ চুক্তি মৰ্মে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমসমূহ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব আৰু সেয়ে ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ খেলপথাৰকে ধৰি অন্যান্য আন্তঃগাঁথনি উন্নয়নৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তক পৰামৰ্শ দিয়ে। ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে।

ৰাজ্যপালগৰাকীয়ে লগতে কয়—শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিকে ধৰি অন্যান্য কাম-কাজ সম্পূৰ্ণ নোহোৱালৈকে কানৈ মহাবিদ্যালয়তে বিশ্ববিদ্যালয়খনৰ পাঠদানকে ধৰি অন্যান্য যাৱতীয় কাম-কাজ চলি থাকিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়—আজিৰ এই দিনটো কানৈ মহাবিদ্যালয়ৰ বাবে এক ঐতিহাসিক দিন। এগৰাকী ৰাজ্যপাল হঠাৎ আহি মহাবিদ্যালয়ত উপস্থিত হোৱা এই দিনটো মহাবিদ্যালয় পৰিয়ালে কোনোদিনেই পাহৰিব নোৱাৰিব আৰু চিৰদিন স্মৃতি হৈ ৰ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জে পি বাৰ্মাই কয়—শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ মাজত দীৰ্ঘদিনৰে পৰা এক সু-সম্পৰ্ক আছে। এই সম্পৰ্ক অধিক কটকটীয়া কৰাৰ বাবে দুয়োটা অনুষ্ঠানে ভৱিষ্যতে সহযোগিতাৰ মাধ্যমেৰে কাম কৰি যোৱাৰ আশ্বাস প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পাৰ্থপ্ৰতীম বৈৰাগী, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়াৰ উপৰি ডিব্ৰুগড় জিলাৰ বিভিন্ন বিভাগৰ ভালেকেইজন বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখ্য যে পুৱা ডিব্ৰুগড় বিমান ঘাটিৰ সভাকক্ষত অনুষ্ঠিত হোৱা সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে ৰাজ্যপালগৰাকীক ফুলাম গামোচা, চেলেং চাদৰ আৰু কিতাপৰ টোপোলাৰে আদৰণি জনায়। ৰাজ্যপালগৰাকীক বহুজনে দৰ্শন কৰে।